# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-June-2026
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

---

## HEADLINES

১।	বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত  শিৱসাগৰত চৰাইদেউ আৰু শিৱসাগৰ জিলা বিজেপিৰ বিশেষ সাংগঠনিক সভা।

২।	ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশেষ কাৰ্যসূচী।

৩।	ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ পাৰত অবৈধভাৱে ঘৰ সাজি বাস কৰি থকা কেইবাটাও পৰিয়ালৰ বাসগৃহত জিলা প্ৰশাসনৰ উচ্ছেদ অভিযান।

**আৰু**

৪।	ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৩ গৰাকী লোকৰ সাক্ষ্য প্ৰদান।

ooooo

বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি শিৱসাগৰত চৰাইদেউ আৰু শিৱসাগৰ জিলা বিজেপিৰ বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰি দলৰ ভৱিষ্যৎ কাৰ্যসূচীৰ ৰূপৰেখা দাঙি ধৰে। নিৰ্বাচনত লাভ কৰা জনাদেশৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিকৰ পৰা বুথ পৰ্যায়লৈকে কাৰ্যকৰ্তা সকলোৰে সৈতে মত বিনিময় কৰা হৈছে বুলি তেওঁ সভাত প্ৰকাশ কৰে। দলীয় কাৰ্যকৰ্তাসকলক অধিক সক্ৰিয় কৰাৰ উদ্দেশ্যে দলটোৱে মণ্ডল আৰু জিলা পৰ্যায়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব বুলি তেওঁ কয়। সাংগঠনিক সভাৰ পাছত ৰাজ্যিক সভাপতিগৰাকীয়ে শিৱসাগৰ নগৰৰ কালিপ্ৰসাদ সোঁৱৰণী সভাগৃহত এখন সংবাদমেল সম্বোধন কৰে। প্ৰধানমন্ত্ৰী মোদীৰ ১২ বছৰীয়া কাৰ্যকাল উপলক্ষে ১০ জুলাইৰ পৰা এলানি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি তেওঁ সংবাদমেলত প্ৰকাশ কৰে। এই কাৰ্যসূচীসমূহৰ ভিতৰত গছপুলি ৰোপণ, যোগ দিৱস পালন আৰু ৰাইজৰ সৈতে ব্যাপক সংযোগ অভিযান অন্তৰ্ভুক্ত হ'ব বুলি তেওঁ কয়।

(বাইট)

ooooo

মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মাই চৰকাৰী চাকৰি অথবা পেঞ্চন লাভ নকৰা মুক্তিযুঁজাৰুসকলৰ পৰিয়ালবৰ্গলৈ ৰাজ্য চৰকাৰে সহায় আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে অসম মুক্তি যুঁজাৰু সন্মিলনৰ উদ্যোগত আৰু ৰাজ্য চৰকাৰৰ সহযোগত আজি গুৱাহাটীৰ ৰূপনগৰৰ স্বতন্ত্ৰ সেনানী ভৱনত শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই আশ্বাস দিয়ে।

ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে শ্বহীদ কুশল কোঁৱৰ এগৰাকী ব্যক্তিয়েই নহয় বৰং দেশপ্ৰম, ত্যাগ আৰু অপৰিসীম সাহসৰ জীৱন্ত প্ৰতীক আছিল। তেওঁৰ জীৱনগাঁথাই আজিও প্ৰতিটো প্ৰজন্মক দেশপ্ৰেমৰ অনন্য অনুপ্ৰেৰণা

জগাই আহিছে। তেওঁ কয়, যে দেশমাতৃৰ মুক্তিৰ বাবে কুশল কোঁৱৰৰ আত্মোৎসৰ্গৰ গৌৰৱগাথাই আমাৰ জাতীয় চেতনাক চিৰকাললৈ উদ্বুদ্ধ কৰি ৰাখিব। ইপিনে, মহানগৰীৰ নেহৰু উদ্যানত আয়োজিত অনুষ্ঠানত বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকে।

স্বাধীনতা সেনানী তথা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ভাৰত ত্যাগ আন্দোলনৰ সময়ত গোলাঘাট জিলাৰ সৰু পথাৰত ৰে'ল দুৰ্ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত স্বাধীনতা সেনানীগৰাকীক ব্ৰিটিছ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি মৃত্যুদণ্ডৰ হুকুম দিছিল। ১৯৪৩ চনৰ আজিৰ দিনটোতে কুশল কোঁৱৰক যোৰহাট কেন্দ্ৰীয় কাৰাগাৰত ফাঁচী দিয়া হৈছিল। অহিংস নীতিৰে স্বাধীনতা আন্দোলনত যোগ দিয়া সেনানীগৰাকী গোলাঘাট জিলা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বও পালন কৰিছিল।

ooooo

ৰাজ্যৰ ভিন্ন প্ৰান্তত জিলা প্ৰশাসনসমূহে অবৈধ দখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান অব্যাহত ৰাখিছে। ডিব্ৰুগড় জিলা প্ৰশাসনে আজি ব্ৰহ্মপুত্ৰৰ পাৰত অবৈধভাৱে ঘৰ সাজি বাস কৰি থকা কেইবাটাও পৰিয়ালৰ বাসগৃহত উচ্ছেদ চলায়। এই অভিযানৰ ফলত অঞ্চলবোৰত সঘনাই সংঘটিত হৈ থকা অসামাজিক কাৰ্যকলাপ আৰু মাদকদ্ৰব্যৰ প্ৰচলন ৰোধ হ'ব বুলি স্থানীয় লোকসকলে আশা প্ৰকাশ কৰিছে।

গুৱাহাটী মহানগৰীৰ বৰঝাৰ বিমানবন্দৰৰ সমীপতো আজি জিলা প্ৰশাসনে উচ্ছেদ অভিযান চলায়। প্ৰশাসনে চৰকাৰী ভূমিত অবৈধভাৱে গঢ়ি উঠা প্ৰায় ৫০খন ব্যৱসায়িক প্ৰতিষ্ঠান উচ্ছেদ কৰে।

ooooo

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৩ গৰাকী লোকে সাক্ষ্য প্ৰদান কৰে। আজি সাক্ষ্য গ্ৰহণৰ বাবে ৰাহুল গোস্বামী, ৰাজ গোস্বামী, দিপাংকৰ ঠাকুৰীয়া আদালতত উপস্থিত হয়। এই গোচৰত প্ৰথমে এজাহাৰকাৰীসকলক সাক্ষ্য গ্ৰহণৰ বাবে মতা হৈছে বুলি চৰকাৰী অধিবক্তা জিয়াউৰ কামাৰে মন্তব্য কৰে। তেওঁ কয়, যে পৰৱৰ্তী পৰ্যায়ত চিকিৎসা বিভাগৰ সাক্ষীসকলক মতা হ'ব। তাৰ পৰৱৰ্তী পৰ্যায়ত ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলৰ সাক্ষ্য লোৱা হ'ব বুলি তেওঁ কয়। এই সন্দৰ্ভত সাংবাদিকসকলৰ আগত অধিবক্তা গৰাকীয়ে এইদৰে কয়–

*(বাইট ঃ কামাৰ)*

উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ পাছতে ঘটনাৰ উচিত তদন্ত বিচাৰি ৰাজ্যৰ বিভিন্ন থানাত ভালেসংখ্যক এজাহাৰ দাখিল হৈছিল। যিসকল লোকে এই এজাহাৰ দাখিল কৰিছিল সেইসকল লোকৰে যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ প্ৰক্ৰিয়া সম্পন্ন কৰিছে। অহা ২০ জুন পৰ্যন্ত এই এজাহাৰকাৰীসকলৰ আদালতে সাক্ষ্য গ্ৰহণ কৰিব। আমাৰ আগৰ বাতৰিতেই উল্লেখ কৰা হৈছে যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

ooooo

ৰাজ্যৰ চাৰিবিধ সাংস্কৃতিক আৰু কাৰুশিল্পজাত সামগ্ৰীয়ে GI TAG অৰ্থাৎ ভৌগোলিক সূচ্যাংক লাভ কৰিছে। শেহতীয়াকৈ ভৌগোলিক সূচক পঞ্জীয়ে ম'হৰ শিঙৰ পেঁপা, বাঁহ শিল্প, কাৰ্বি আংলঙৰ হস্ততাঁত শিল্প আৰু দেউৰী সম্প্ৰদায়ৰ হস্ততাঁত শিল্পক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে ৰাজ্যৰ থলুৱা কাৰুশিল্প আৰু সাংস্কৃতিক পৰিচয়ৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ উদ্ভাসিত হোৱাত সহায়ক হৈ পৰিব। নতুনকৈ ভৌগোলিক সূচ্যাংক লাভ কৰা এই চাৰিবিধ সামগ্ৰীয়ে জনজাতীয় ঐতিহ্য, সংগীত বিজ্ঞান আৰু প্ৰাকৃতিক সম্পদৰ কাৰুশিল্পৰ বৰ্ণাঢ্য দিশ সামৰি লৈছে। এই স্বীকৃতিলাভৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক নাবাৰ্ডৰ অসম শাখাই সহায় কৰিছে। নাবাৰ্ডৰ অসম

শাখাৰ মুখ্য প্ৰবন্ধক লোকেন দাসে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ঐতিহ্য সংৰক্ষণৰ গুৰুত্বৰ লগতে কাৰুশিল্পীসকলৰ অৰ্থনৈতিক বহনক্ষমতা নিশ্চিত কৰাৰ বাবে নাবাৰ্ডে ভৌগোলিক সূচাংক প্ৰমাণ পত্ৰ লাভ প্ৰক্ৰিয়াক সক্ৰিয়ভাৱে সমৰ্থন যোগাই আহিছে। এই স্বীকৃতিয়ে সামগ্ৰীসমূহৰ পৰিচয় আৰু নিৰ্ভৰযোগ্যতাক সুদৃঢ় কৰাই নহয়, বৰং ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইয়াৰ বজাৰ লাভৰ সম্ভাৱনা বৃদ্ধি কৰিব বুলি নাবাৰ্ডৰ অসম শাখাৰ মুখ্য প্ৰবন্ধকগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে নাবাৰ্ডৰ সহযোগত অসমৰ ভৌগোলিক সূচ্যাংক লাভ কৰা সামগ্ৰীৰ সংখ্যা ১২ লৈ বৃদ্ধি পালে। এই স্বীকৃতি পোৱাৰ ফলত এনে সামগ্ৰীসমূহৰ বিনা অনুমতিত অনুকৰণ আৰু অপব্যৱহাৰৰ বিৰুদ্ধে আইনী সুৰক্ষা লাভ কৰিব।

০০০০০

কামৰূপ মহানগৰ জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকৰণে ইতিপূৰ্বে ভূমিস্খলন প্ৰৱন এলেকা হিচাপে চিনাক্ত কৰা ৩৬৬টা স্থানৰ বাসিন্দাসকলৰ বাবে জৰুৰী সতৰ্কবাণী জাৰি কৰিছে। প্ৰাধিকৰণে  এনে স্থানৰ নাগৰিকসকলক আগতীয়াকৈ সাৱধানতা অৱলম্বন কৰাৰ বাবে সামাজি মাধ্যমৰ জৰিয়তে পাহাৰীয়া অঞ্চলৰ জনসাধাৰণক আহ্বান জনাইছে। বিশেষকৈ নৰকাসুৰ পাহাৰক অন্যতম স্পৰ্শকাতৰ স্থান হিচাপে চিহ্নিত কৰি তাৰ বাসিন্দাসকলক সতৰ্ক হৈ থাকিবলৈ কোৱা হৈছে। দুৰ্যোগ প্ৰশমন বিভাগে চিনাক্ত কৰা অঞ্চলভিত্তিক ভূমিস্খলন প্ৰৱন স্থানসমূহৰ ভিতৰত ফটাশিলৰ পাঁচটা স্থান, গড়ভাংগাৰ ৯টা, গোটানগৰৰ ছটা, হেঙেৰাবাৰীৰ ৩০টা, জালুকবাৰী-লংকেশ্বৰৰ দুটা, কাহিলীপাৰাৰ ২৫টা, কালাপাহাৰৰ সাতটা, কামাখ্যা-নীলাচলৰ পাঁচটা, খানাপাৰাৰ ৩০টা, খাৰঘুলিৰ ৩৭টা, কইনাধৰাৰ পাঁচটা, মালিগাঁৱৰ ৮টা, নৱগ্ৰহৰ ছটা, নৰকাসুৰৰ ১৪টা, নাৰেঙ্গীৰ ৩১টা, নুনমাটিৰ ৪০টা, শান্তিপুৰৰ ২০টা, শৰণীয়াৰ পাঁচটা, শুক্ৰেশ্বৰৰ এটা আৰু চুণচালিৰ ৭৭টা স্থান আছে। যিকোনো জৰুৰীকালীন পৰিস্থিতি বা ভূমিস্খলনৰ খবৰ দিবলৈ জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ বিনামূলীয়া নম্বৰ ১০৭৭ত পোনপটীয়াকৈ যোগাযোগ কৰিবলৈ কোৱা হৈছে। প্ৰশাসনে যিকোনো পৰিস্থিতিৰ মুখামুখি হ'বলৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলসমূহক সাজু কৰি ৰাখিছে।

০০০০০

শোণিতপুৰ জিলা আৰু ছেছন আদালতে আজি দুটাকৈ গোচৰৰ গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ন্যায়াধীশ কৌশিক হাজৰিকাই হত্যাৰ গোচৰত মিলন কৰ্মকাৰ নামৰ এজন লোকক যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত কৰে। আনহাতে, ধৰ্ষণৰ গোচৰত জিতেন কুমাৰক ৪ বছৰ সশ্ৰম কাৰাদণ্ড বিহে।

০০০০০

অসম প্ৰশাসনিক সেৱাৰ বিষয়া দামোদৰ বৰ্মনে আজি অসম কৃষি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক হিচাপে যোগদান কৰে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যৰ সভাগৃহত আয়োজিত এটি অনুষ্ঠানত উপাচাৰ্যসহ বিশ্ববিদ্যালয় কৰ্তৃপক্ষই পঞ্জীয়কগৰাকীক শুভেচ্ছা জনায়।

০০০০০

ৰাজ্যৰ লোকনিৰ্মাণ বিভাগৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনিৰ অধীনত বৰপেটা সমষ্টিত বিধায়ক দীপক কুমাৰ দাসে আজি ১৭ টা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। ইয়াৰে প্ৰথম কাৰ্যসূচী হিচাপে তেওঁ বৰপেটা চহৰৰ ৰাখালথান আৰু ৰামৰায় ষ্টেডিয়াম সংযোগী দুটা পথৰ নিৰ্মাণকাৰ্য উদ্বোধন কৰে। এই ১৭ টা পথৰ নিৰ্মাণৰ বাবে সৰ্বমুঠ ৮ কোটি ৬০ লাখ টকা ধাৰ্য কৰা হৈছে। পথবোৰৰ নিৰ্মাণ কাৰ্য অহা ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০

সমাপ্ত